بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আই৪) য়ে ২০১৯ চনৰ ৩ মেত মছজিদ বায়তুল ফতুহ মৌৰডনৰ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে আজি যি সকল বদৰি চাহাবৰ বিষয়ে উল্লেখ কৰিম তাৰে প্ৰথমজনৰ নাম হল হজৰত আবিদ বিন আবিদ আনছাৰী (ৰাঃ)। হজৰত আবিদ (ৰাঃ) আঁহজৰত (ছাঃ) লগত যোগ দি বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধ আৰু খন্দকৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল।

ইয়াৰ পিছৰ জন চাহাবীৰ নাম হল হজৰত আব্দুল্লাহ বিন নুমান আনছাৰ সকলৰ সম্পৰ্কীয় লোক আছিল। এখেত (ৰাঃ) হজৰত আবু কাতাদাহ (ৰাঃ) ৰ খুৰাতু ভাই আছিল। হজৰত আব্দুল্লাহ বিন নুমান (ৰাঃ) বদৰ আৰু অহুদৰ যুদ্ধত যোগদান কৰিছিল।

আকৌ যিজন চাহাবীৰ বিষয়ে উল্লেখ কৰিম তেখেতৰ নাম হল হজৰত আব্দুল্লাহ বিন উমিৰ (ৰাঃ)ৰ সম্পৰ্ক আছিল। এখেত (ৰাঃ) বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল।

আন এজন চাহাবীৰ নাম হল হজৰত উমৰু বিন হাৰিছ (ৰাঃ)। হজৰত উমৰু (ৰাঃ) কবিলা বণু হাৰিছৰ লোক আছিল। হজৰত উমৰু (ৰাঃ) য়ে মক্কাতেই ইছলামৰ আৰম্ভণীতেই মুছলমান হৈছিল। এখেত (ৰাঃ) য়ে হিজৰতে হাবশা দ্বিতীয়ত অংশ গ্ৰহন কৰিছল।হজৰত উমৰু বিন হাৰিছ (ৰাঃ) য়ে বদৰৰ যুদ্ধত যোগদান কৰাৰ সৌভাগ্য লাভ কৰিছিল।

ইয়াৰ পিছত আন এজন চাহাবীৰ নাম হল হজৰত আব্দুল্লাহ বিন কাআব (ৰাঃ)। হজৰত আব্দুল্লাহ বিন কাআব (ৰাঃ) বদৰৰ যুদ্ধত যোগ দিছিল। এখেত (ৰাঃ) ক আঁহজৰত (ছাঃ) য়ে বদৰৰ যুদ্ধৰ দিনা যুদ্ধ সংগ্ৰাহিত ধন-মালৰ ৰক্ষক নিযুক্ত কৰিছিল। ইয়াৰ উপৰিও বিভিন্ন সময়ত এখেত (ৰাঃ) য়ে নবী কৰিম (ছাঃ) ৰ ধন-মালৰ ৰক্ষক হোৱাৰ সৌভাগ্য লাভ কৰিছিল। এখেত (ৰাঃ) একেধাৰে বদৰ,অহুদ,খন্দক আদিকৰি সকলো যুদ্ধত আঁহজৰত (ছাঃ) ৰ লগত যোগদান দিয়াৰ সৌভাগ্য লাভ কৰিছিল। চন ৩৩ হিজৰিত হজৰত উচমান গণি (ৰাঃ) ৰ খিলাফত কালত হজৰত আব্দুল্লাহ বিন কাআব (ৰাঃ) ৰ মদিনাত মৃত্যু হৈছিল। হজৰত উচমান গণি (ৰাঃ) য়ে এখেত (ৰাঃ) ৰ নমাজে জানাজা পঢ়াইছিল। এখেত (ৰাঃ) ৰ কুনিয়াত আবু হাৰিছৰ উপৰিও আবু ইয়াহিয়া বুলিও উল্লেখ পোৱা যায়।

আকৌ হজৰত আব্দুল্লাহ বিন কায়েছ নামৰ এজন চাহাবী আছিল। এখেত বণু নজাৰ কবিলাৰ লোক আছিল। হজৰত আব্দুল্লাহ বিন কায়েছ (ৰাঃ) য়ে বদৰৰ যুদ্ধ,অহুদৰ যুদ্ধত যোগ দিছিল। এটা বৰ্ণানাত উল্লেখ পোৱা যায় য়ে এখেত (ৰাঃ) য়ে অহুদৰ যুদ্ধত শ্বহীদ হৈছিল। কিন্তু আন এটা বৰ্ণনাত উল্লেখ আছে শ্বহীদ হোৱা নাছিল। বৰং সকলো যুদ্ধতেই আঁহজৰত (ছাঃ) ৰ লগত যোগ দি ৰণ কৰিছিল। আৰু হজৰত উচমান গণি (ৰাঃ) ৰ খিলাফত কালত মৃত্যুবৰণ কৰিছিল। হুজুৰ (আইঃ) য়ে কয় য়ে যিহেতু ইতিহাসত মতানৈক্য পোৱা যায় সেয়ে মই দুয়োটাই বৰ্ণনা কৰিলো।

আকৌ যিজন চাহাবীৰ বিষয়ে উল্লেখ কৰিম তেখতৰ নাম হল হজৰত ছালমা বিন আছলাম (ৰাঃ)। এখেত (ৰাঃ) য়ে একেধাৰে যুদ্ধ বদৰ,অহুদ,খন্দক আদিকৰি সকলো যুদ্ধত আঁহজৰত (ছাঃ) ৰ সৈতে যোগ দি ৰণ কৰিছিল। এখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধত ছায়েব বিন আবিদ আৰু নুমান বিন উমৰুক বন্দী কৰিছিল। হজৰত ছালমা বিন আছলাম (ৰাঃ) হজৰত উমৰ (ৰাঃ) ৰ খিলাফত কালত জিছ্ৰৰ যুদ্ধত শ্বাহাদত বৰণ কৰিছিল। এই যুদ্ধ ফুৰাত নদীৰ পাৰত সংগঠিত হৈছিল। মৃত্যুৰ সময়ত এখেত (ৰাঃ) ৰ বয়স হৈছিল ৩৮ বছৰ। আল্লামা নুৰুদ্দিন হালবিৰ বিখ্যাত কিতাপ ছ্বিৰত হালবিয়াত বদৰৰ যুদ্ধত সংগঠিত আঁহজৰত (ছাঃ) ৰ মজিজা সম্পৰ্কে বৰ্ণনা কৰিছে য়ে যেতিয়া যুদ্ধত হজৰত ছালমা বিন আছলামৰ তৰোৱাল ভাঙি গৈছিল মতেতিয়া আঁহজৰত (ছাঃ) য়ে ছালমাক এটা খেজুৰৰ ঠাৰি হাতত আগুৱাই দি কৈছিল যে ইয়াৰেই তুমি যুদ্ধ কৰি থাকা। হজৰত ছালমা বিন আছলাম (ৰাঃ) য়ে সেই খেজুৰৰ ঠাৰি হাতত তুলি লোৱা মাত্ৰেই এখন ধুনীয়া তৰোৱালত পৰিণত হৈছিল। পিছত সেই তৰোৱাল হজৰত ছালমা (ৰাঃ) ৰ সদায় নিজৰ ওচৰত ৰাখিছিল।

মক্কাৰ কাফিৰ সকলে আঁগহৰত (ছাঃ) ক হত্যা কৰাৰ ষড়যন্ত্ৰ ৰচিছিল। এই সম্পৰ্কে মিৰ্জা বশিৰ উদ্দিন চাহাবে লিখিছে যে আহযাবৰ যুদ্ধত অপমানজনক সুচনীয় পৰাজয় বৰণ কৰি কাফিৰ সকলে হিংসাৰ দাবালনত জ্বলি পৰি উঠিছিল। বিশেষকৈ এই দাবানল আবু চুফিয়ানৰ অন্তৰত বেছি আছিল। এওঁ আছিল তেতিয়া মক্কাৰ চৰদাৰ,সেয়ে আহযাবৰ যুদ্ধত এওঁৰেই বেছি অপমানৰ চাবোক খাব লগা হৈছিল। কিছুদিনলৈ আবু চুফিয়ানক এই হিংসাৰ দাবানলে খুটি খাইছিল কিন্তু অৱশেষত বিষয়টোৱে তেওঁৰ হিংসাৰ দুৱাৰ মুকলি হৈ পৰিল আৰু এই দাবালনৰ লেলিহান অগ্নি শিখা বাহিৰ ওলাবলৈ আৰম্ভ কৰিলে। এদিন সুবিধা বুজি আবু চুফিয়ান নিজৰ ফালৰ কেইজনমান যুৱকক কলে যে,কি তোমালোকৰ মাজত এনে কোনো বীৰ পুৰুষ আছেনে যিয়ে মদিনাত গৈ আঁহজৰত (ছাঃ) ক গুপ্তভাৱে হত্যা কৰে? তোমালোকে নিশ্চয় জানা মহম্মদ (ছাঃ) য়ে মদিনাৰ বাটত কেনেদৰে চলা-ফুৰা কৰে। সেই যুৱক কেইজনে এই কথাখিনি শুনি তাৰ পৰা গুচি গৈছিল। ইয়াৰে কিছুদিন পিছত এজন বেদুইন যুৱক আবু চুফিয়ানৰ ওচৰলৈ আহি কয় যে মই আপোনাৰ পৰিকল্পনা শুনিছো সেয়ে মই আপোনাৰ ওচৰত আহি উপস্থিত হৈছো। মই এজন সাহসী আৰু বীৰ পুৰুষ,যাৰ হতুৱাই অনতি পলমেই আক্ৰমণ সংগঠিত হব পাৰে। যদি আপুনি এই কামৰ নিমিত্তে মোক নিযুক্ত কৰি সহায় আদি কৰে তেন্তে মই মহম্মদ (ছাঃ) ক হত্যা কৰিবলৈ যোৱাৰ বাবে সাজু আছো। মই মদিনাৰ বাট পথ ভালদৰে চিনি পাওঁ। এয়া শুনি আবু চুফিয়ান বৰ আনন্দিত হৈ কয় যে ঠিক আছে, ঠিক আছে, তুমিহে আমাৰ মনৰ মানুহ। ইয়াৰ পিছত আবু চুফিয়ানে তেওঁক এটা বেগী উটনি আৰু বাটৰ খৰচ আদি দি বিদায় দিয়ে লগতে আদেশ দিয়ে যে এই ৰসহ্য যেন কোনেও গম নাপায়।

মক্কাৰ পৰা ওলাই আহি এই যুৱকজনে দিনত লুকাই থাকি ৰাতি ৰাতি বাটকুৰি বাই মদিনালৈ যাত্ৰা আৰম্ভ কৰে। ছয় দিনত গৈ মদিনাত উপস্থিত হৈছিল আৰু আঁহজৰত (ছাঃ)ৰ খবৰ লৈ লৈ পোনে পোনে কবিলা বণি আব্দুল আছহালৰ মছজিদত গৈ উপস্থিত হৈছিল, তেতিয়া আঁহজৰত (ছাঃ) য়ে তাতেই উপস্থিত আছিল। এই বেদুইন যুৱকজন যেতিয়া মছজিদত প্ৰৱেশ কৰিছিল আৰু আঁহজৰত (ছাঃ) য়ে তাক নিজৰ ফালে আহি থকা দেখা পাইছিল তেতিয়া তেখেত (ছাঃ) য়ে কৈছিল যে এই মানুহজন কিবা বেয়া মনোভব লৈ ইয়ালৈ আহিছে। উক্ত কথাখিনি শুনাৰ লগে লগে আৰু বেগেৰে আঁহজৰত (ছাঃ)ৰ ফালে আগবাঢ়িছিল কিন্তু এজন আনছাৰী চৰদাৰ আছিদ বিন হাজিৰ (ৰাঃ) য়ে অৰ্তকিতে তাৰ ওপৰত জপিয়াই পৰিছিল। যেতিয়া তাক পৰাস্ত কৰি লোৱা হৈছিল তেতিয়া আঁহজৰত (ছাঃ) য়ে তাক সুধিছিল যে সত্য কথা কবা তুমি কোন হোৱা? আৰু কি উদ্দেশ্যলৈ ইয়ালৈ আহিছা? তেতিয়া সেই যুৱকজনে গোটেই কাহিনিটো বৰ্ণনা কৰি শুনায় আৰু কয় যে আবু চুফিয়ানে মোক ইমান পৰুস্কাৰ দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। ইয়াৰ পিছত মানুহজনে কিছুদিন মদিনাত থাকিছিল আৰয নিজৰ ইচ্ছামতে মুছলমান হৈ গৈছিল। আবু চুফিয়ানৰ এই হত্যাৰ ষড়যন্ত্ৰই মুছলমান সকলক ভৱিষ্যতলৈ মক্কাবাসীৰ পৰা সাৱধান থকাটো আৰু বেছি জুৰুৰী বনাই দিছিল। সেয়ে আঁহজৰত (ছাঃ) য়ে নিজৰ দুজন চাহাবা উমৰু বিন উমিয়া জমৰি আৰু ছালামা বিন আছলামক মক্কালৈ পঠাই দিয়ে। এওঁলোক দুজনক আদেশ দি পঠাইছিল যে আবু চুফিয়ানৰ এই হত্যাৰ ষড়যন্ত্ৰ আৰু আগৰ হত্যাকাণ্ডৰ প্ৰমান আদিলৈ যদি সুযোগ সুবিধা পোৱা যায় তেন্তে ইছলামৰ এই গুপ্ত শত্ৰুক যেন হত্যা কৰি পেলোৱা হয়। কিন্তু যেতিয়া উমৰু বিন উময়া জমৰি আৰু ছালামা বিন আছলাম (ৰাঃ) গৈ মক্কত উপস্থিত হৈছিল তেতিয়া কুৰাইছ সকল সচেতন হৈ পৰিছিল আৰু পৰিস্থিতি সাপেক্ষে এই দুজন চাহাবীয়ে কোনোমতে প্ৰাণলৈ মদিনালৈ ওভতি আহিছিল। ওভতি আহাৰ বাটত কুৰাইছৰ দুজন গুপ্তচৰৰ সৈতে এখেত দুজনৰ সাক্ষাৎ হৈছিল, যি দুজন লোকক কুৰাইছৰ নেতা সকলে মুছলমান সকলৰ কাৰু কাৰ্য্যৰ গম লবলৈ আৰু আঁহজৰত (ছাঃ) ৰ অৱস্থা সম্পৰ্কে পঠাই দিছিল।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে - এয়া কোনো আচৰিত কথা নহয়, হব পাৰে এয়াও কুৰাইছ সকলৰ আন এটা হত্যাকাণ্ডৰ ষড়যন্ত্ৰৰ মূল পৰিকল্পনা আছিল। উমৰু বিন উমিয়া আৰু ছালামা বিন আছলাম (ৰাঃ) য়ে সেই গুপ্তচৰৰ বিষয়ে গম পাইছিল, সেয়ে এখেত দুজনে সেই গুপ্তচৰ দুজনৰ ওপৰত আক্ৰমণ চলাই সিহঁতক বন্দী কৰিব বিচাৰিছিল। কিন্তু এখেত দুজনৰ লগত সিহঁতৰ দুজনৰ মুখামুখি লড়াই হোৱাত সেই গুপ্তচৰ দুজনৰ এজনে মৃত্যুবৰণ কৰিছিল।আৰু আন এজনক বন্দী কৰি মদিনালৈ লৈ আহিছিল। হজৰত উম্মে আম্মাৰ বৰ্ণনা কৰিছ যে মই হুদায়বিয়াৰ সন্ধিৰ দিনা আঁহজৰত (ছাঃ) ক বহি থকা দেখিছিলো আৰু হজৰত ইবাদ বিন আছলাম এই দুয়োজনে বৰ্ম পৰিধান কৰি নবী (ছাঃ)ৰ ওচৰত থিয় হৈ পহৰা দি থকা দেখিছিলো। যেতিয়া কুৰাইছ সকলৰ দূত ছুহেল বিন উমৰু উচ্চস্বৰে কথা কৈছিল তেতিয়া এই দুজনে ছুহেলক কৈছিল যে

ৰছুলুল্লাহ (ছাঃ) ৰ সন্মুখত সৰু মাতেৰে কথা কৰা। এয়া হল তেখেত দুজনৰ এটা বিশেষ খিদমতৰ উল্লেখ মাত্ৰ, যি তেখেত সকলে সেই সময়ত দেখুৱাইছিল।

আকৌ আন এজন চাহাবী আছিল হজৰত উকবা উচমান (ৰাঃ)। হজৰত উকবা (ৰাঃ) য়ে নিজৰ ভাই হজৰত ছাআদ বিন উচমানৰ সৈতে বদৰ আৰু অহুদৰ যুদ্ধত অংশ গ্ৰহন কৰাৰ সৌভাগ্য লাভ কৰিছিল।

ইয়াৰ পিছত আন এজন চাহাবীৰ নাম হল হজৰত আব্দুল্লাহ বিন ছাহল (ৰাঃ)। এখেতে হজৰত ৰাফিয়া বিন ছাহলৰ ভায়েক আছিল। এখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধত যোগদান কৰি খন্দকৰ যুদ্ধত গৈ শ্বহীত হৈছিল। মদিনাৰ পৰা আঠ মাইল দূৰত অৱস্থিত হুমৰাল আছাদ নামৰ ঠাইত সংগঠিত হোৱা যুদ্ধত হজৰত আব্দুল্লাহ বিন ছাইলৰ যোগদান সম্পৰ্কে ছিৰাতুন্নবী (ছাঃ) ৰ এখন কিতাপ ছাবিলাল হুদাত উল্লেখ পোৱা যায়। অহুদৰ যুদ্ধত এখেত (ৰাঃ) য়ে আৰু এখেতৰ ভায়েকে বৰ বেয়াকৈ আঘাত প্ৰাপ্ত হৈছিল। যেতিয়া এওঁলোক দুয়ো ভায়েকে আঁহজৰত (ছাঃ) ৰ পৰা হুমৰাল আছাদত যোগদান কৰাৰ আদেশ শুনা পাইছিল তেতিয়া ভায়েক দুজনৰ এজনে কৈছিল - খোদা তায়ালাৰ কছম যদি আমি ৰছুলুল্লাহ (ছাঃ) লগত গৈ যুদ্ধত অংশ গ্ৰহন কৰিব নোৱাৰো তেন্তে আমি বৰকৈ লজ্জিত হম। আকৌ কয় য়ে “বখোদা” আমাৰ ওচৰত কোনো বাহনও নাই যে তাৰ ওপৰত আমি যাম। তেতিয়া হজৰত আব্দুল্লাহ বিন ছাহলে কৈছিল-বলা মোৰ লগত আমি খোজকাঢ়ি যাম। এই বুলি দুয়োজনে খোজ লয় কিন্তু গৈ থাকোতে হজৰত ৰাফিয়া (ৰাঃ) বৰ দুৰ্বল হৈ পৰে তেতিয়া হজৰত আব্দুল্লাহ (ৰাঃ) য়ে হজৰত ৰাফিয়াক নিজৰ পিঠিত উঠায় লয় আৰু গৈ গৈ ইশাৰ সময়ত আঁহজৰত (ছাঃ) ওচৰত গৈ উপস্থিত হৈছিল। সেই ৰাতিত আঁহজৰত (ছাঃ) য়ে হজৰত ইবাদ বিন বশিৰক পহৰা দিয়াৰ নিমিত্তে নিযুক্ত কৰিছিল। আঁহজৰত (ছাঃ) য়ে এওঁলোক দুজনক সুধিছিল যে কি বস্তুয়ে তোমালোকক বাধা দি ৰাখিছিল। তেতিয়া এই চাহাবা দুজনে পিছ পৰি যোৱাৰ কাৰণ দৰ্শাইছিল। সেয়া শুনি তেখেত (ছাঃ) য়ে আশীৰ্বাদ দি কৈছিল, যদি তোমালোক দুয়ো দীৰ্ঘদিন জীয়াই থকাৰ সৌভাগ্য লাভ কৰা তেন্তে দেখিবা তোমালোকে বাহন হিচাপে উট, ঘোঁৰা, খচ্চৰ আদি পাই যাবা। কিন্তু সেই বুলি আজিৰ এই ভ্ৰমনতকৈ যি তোমালোকে কষ্টৰে খোজকাঢ়ি আহিছা,বাহনত কৰা ভ্ৰমন উত্তম নহব। আজিৰ ভ্ৰমন কল্যাণ আৰু বৰকত বহুত বেছি।

যুদ্ধ হুমৰাল আছাদৰ মুল কাৰণ বৰ্ণনা কৰোঁতে হজৰত মিৰ্যা বশিৰ আহমদ চাহাবে লিখিছে যে অহুদৰ যুদ্ধৰ পিছত মদিনাত ৰাতি পাৰ হৈছিল সেয়া বৰ ভয়ানক আছিল কাৰণ যদিও কুৰাইছ সকলৰ সৈন্য সামন্ত মক্কালৈ ঘুৰি যোৱা দেখা গৈছিল, তথাপি তত সন্দেহ আছিল যে কিজানি কাফিৰ সকলে এয়া কেৱল মুছলমান সকলক এটা প্ৰতীয়মান নিয়াবলৈ কৰিছিল। গতিকে ৰাতি মদিনাত চোকা পহৰা ৰখাৰ ব্যৱস্থা কৰা হৈছিল। বিশেষকৈ আঁহজৰত (ছাঃ) ৰ বাসগৃহ পহৰা দিয়াত চাহাবা সকলে বেছি গুৰুত্ব দিছিল। ৰাতিপূৱা গম পোৱা গল যে এই ধাৰণাটো একেবাৰে অমুলক নহয় কাৰণ ফজৰৰ নামাজৰ আগত আঁহজৰত (ছাঃ) য়ে খবৰ পালে যে কুৰাইছৰ সৈন্য সামন্ত মদিনাৰ পৰা কেইমাইলমান দুৰতেই বাহৰ পাতি আছে আৰু কুৰাইছ্ৰ নেতা সকলে ভৰা চিন্তা কৰি আছে, যে এই জয়লাভৰ সুযোগলৈ মদিনাৰ ওপৰত আক্ৰমণ চলোৱা যাওঁক। আকৌ কিছুমানে মত বিৰুদ কৰি আছে যে তোমালোকে যি জয়লাভ কৰিছা, সেই খিনিকেই সামৰি লৈ মক্কালৈ ওভতি বলা, কাৰণ যাতে আকৌএনাকুৰা নহয় যে জয় পৰাজয়লৈ সলনি হৈ যায়। কাৰণ এতিয়া যদি তোমালোকে মদিনাৰ ওপৰত আক্ৰমণ চলোৱা তেন্তে নিশ্চয় মুছলমান সকলে প্ৰাণে পণে যুজিব আৰু অহুদত অংশ গ্ৰহন নকৰা সকলেও আহি যুদ্ধ ক্ষেত্ৰত নামি পৰিব। আঁহজৰত (ছাঃ) য়ে যেতিয়া এই ঘটনাৰ সংবাদ পাইছিল লগে লগে ঘোষনা কৰিছিল যে মুছলমান সকলে যেন যুদ্ধৰ বাবে সাজু হৈ যায়। কিন্তু লগতে এয়াও ঘোষনা কৰিছিল যে অহুদত অংশগ্ৰহন কৰা সকলৰ বাহিৰে আমাৰ লগত অইন কোনেওঁ যেন পোলায়। আঠ মাইল বাট অতিক্ৰম কৰি গৈ আঁহজৰত (ছাঃ) য়ে এই হামৰাল আছাদ নামৰ ঠাইত উপস্থিত হয় যত দুজকন মুছলমানৰ মৃতদেহ পৰি থকা দেখা পাইছিল। আঁহজৰত (ছাঃ) য়ে সেই শ্বহীদ দুজনক এখন কবহৰত দাফন কৰিছিল আৰু তাতেই বাহৰ পাতি বিভিন্ন ঠাইত চাকি জ্বলাবলৈ নিৰ্দেশ দিছিল। গতিকে চাওতে চাওতেই হামৰাল আছাদৰ পথাৰখনত প্ৰায় পাচঁশ খন ঠাইত জুইৰ শিখা জ্বলি উঠিছিল যিয়ে দুৰৈৰ পৰা দেখোতা সকলৰ মনত এটা ভয়ৰ ভাৱ সৃষ্টি হৈ পৰিছিল। সেই সময়ত কবিলা খাজাআৰ এজন মুশৰিক নেতা মৱাবিদেব আঁহজৰত (ছাঃ) ৰ ওচৰত আহি উপস্থিত হয় আৰু অহুদৰ শ্বহীদ সকলৰ প্ৰতি সমাবেদনা জনাই নিজৰ বাটত গুচি যায়। ইয়াৰ পিছদিনা যেতিয়া মুৱাবিদে ৰওহা নামৰ ঠাইত গৈ উপস্থিত হৈছিল, যিখন ঠাই মদিনাৰ পৰা চল্লিশ মাইল দূৰত অৱস্থিত। মুৱাবিদে তাত গৈ দেখিছিল যে কুৰাইছৰ সৈন্যদল

ত্ৰতে বাহৰ পাতি আছে আৰু মদিনাৰ ফালে ঘুৰি আহাৰ যোজা চলাই আছে। মুৰাবিদে তৎক্ষণাত আবু চুফিয়ানৰ ওচৰলৈ গৈ কবলৈ ধৰে যে তুমি এইবোৰ কি কৰি আছা ? আল্লাহৰ কছম মই মহম্মদ (ছাঃ)ৰ সৈন্যদল হামৰাল আছাদত দেখি আহিছো আৰু মই তেনেকুৰা ভয়ানক সৈন্যদল আজিলৈকে কেতিয়াও দেখা নাই আৰু অহুদত হুৰা পৰাস্তৰ ক্ষোভত এনেকুৰা আবেগিক হৈ আছে যে তোমালোকক দেখিলেই সিহঁতে তোমালোকক ধ্বংস কৰি পেলাৱ। মুৰাবিদৰ কথাত আবু চুফিয়ান আৰু তাৰ লগৰীয়া সকলে ভিতৰে ভিতৰে সঙ্কুচিত হৈ পৰিছিল আৰু মদিনালৈ যোৱাৰ সিদ্ধান্ত এৰি ছাউনি উঠাই মক্কালৈ ওভতি আহিছিল। কুৰাইছ সকলৰ সৈন্য ওভতি মক্কালৈ অহাৰ খবৰ আঁহজৰত (ছাঃ) য়ে শুনাপাই আল্লাহৰ কৃতজ্ঞতা স্বীকাৰ কৰি কৈছিল এয়া হল খোদা তায়ালাৰ আতংক যি তেওঁ কাফিৰ সকলৰ অন্তৰত সমুৱাই দিছিল।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ইয়াৰ পিছৰ জন চাহাবীৰ নাম হল হজৰত উতবা বিন ৰবিয়া (ৰাঃ)। এখেতে বদৰ আৰু অহুদৰ যুদ্ধত যোগ দিয়াৰ সৌভাগ্য লাভ কৰিছিল। আল্লামা ইবনে হিজৰ আছকালানী বৰ্ণনা কৰিছে যে এৰমূকৰ যুদ্ধত যোগদান কৰা উমৰা সকলৰ মাজত এটা নাম উতবা বিন ৰবিয়া বুলি উল্লেখ পোৱা যায়। এই ত্ৰমূকৰ যুদ্ধৰ চন ১২/ ১৩ হিজৰিত হজৰত আবু বক্কৰ (ৰাঃ) ৰ খিলাফত কালত খালিদ বিন অলিদৰ নেতৃত্বত ৰুমি সকলৰ বিৰুদ্ধে সংগঠিত হৈছিল। এই এৰমূকৰ যুদ্ধত ৰুমি সকলৰ সৈন্যৰ সংখ্যা দুই আঢ়ৈ লাখ আছিল বুলি উল্লেখ আছে। আনহাতে মুছলমান সকল আছিল প্ৰায় ৩৭ পৰা ৪৬ হাজাৰৰ ভিতৰত। এই ইছলামী সৈন্য সকলৰ মাজত এহেজাৰ এনেকুৰা বুজুৰ্গ আছিল যি সকলে আঁহজৰত (ছাঃ)ক দৰ্শন কৰিছিল আৰু এনেকুৰা চাহাবাও আছিল যি সকলে আঁহজৰত (ছাঃ) ৰ লগত বদৰৰ যুদ্ধত যোগদান কৰিছিল। এই ৰণত অসংখ্য মানুহৰ মৃত্যু হৈছিল। এই সময়খিনিতেই মদিনাত হজৰত আবু বক্কৰ (ৰাঃ) ৰ মৃত্যু হৈছিল কিন্তু খালিদ বিন অলিদে এই খবৰ সৈন্য সকলক জানিব দিয়া নাছিল। যিয়েই নহওঁক যুদ্ধত মুছলমান সকলে দৃঢ় প্ৰতিষ্ঠিত আছিল আৰু আবেলিলৈকে তুমুল ৰণ চলাৰ পিছত ৰুমি সৈন্য সকলে পলাবলৈ আৰম্ভ কৰিছিল। এই এৰমূকৰ যুদ্ধত প্ৰায় এক লাখৰও অধিক ৰুমি সৈন্যই প্ৰাণ হেৰুৱাইছিল। আনহাতে সৰ্বমুঠ তিনিহাজাৰ মুছলমান এই যুদ্ধত শ্বাহাদত বৰণ কৰিছিল। এই শ্বহীদ সকলৰ মাজত আবু জাহিলৰ পুত্ৰ আক্ৰামাও আছিল। এৰমূকৰ বিজয়ৰ পিছত ইছলামী সৈন্য গোটেই স্বাম দেশত সিচঁৰিত হৈ ছৰমিন, তেজিন, কুৰছ, তিলাজাজ, জলুক, ৰুবান, আদি ঠাইৰ ওপৰত সহজেই বিজয় লাভ কৰিছিল।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ) য়ে মকাৰমা চাহাবজাদী ছবিহা বেগম চাহিবাৰ নমাজে জানাজা পঢ়াৰ ঘোযনা কৰে। মৰহুমা হজৰত মিৰ্যা বশিৰ আহমদ চাহাবৰ ডাঙৰ জীয়েক মকৰমা আমতুচ্ছালাম চাহিবা আৰু হজৰত মিৰ্যা ৰশিদ আহমদ চাহাবৰ ডাঙৰ জীয়েক আছিল। হজৰত মুছলেহ মাউদ (ৰাঃ) ৰ আৰু হজৰত উম্মে নাছিৰ (ৰাঃ) ৰ পুত্ৰ মিৰ্যা ৰশিদ আহমদ চাহাবৰ পত্নী আছিল। ৩০ এপ্ৰিল ২০১৯ চনত ৯০ বছৰ বয়সত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। হুজুৰ (আইঃ) য়ে কয় যে এই সম্পৰ্কৰ ফালৰ পৰা মৰহুমা মোৰ মামি আছিল। মৰহুমা খলিফাতুল মছিহ ৰাবে (ৰহঃ) ৰ পত্নী হজৰত ছৈয়দা আচফা বেগম চাহিবাৰ বাইদেউ আছিল। মৃত্যুৰ সময়ত মৰহুমা তিনিজনী জীয়েক আৰু এজন পুতেক এৰি থৈ যায়। আল্লাহ তায়ালা তেখেতৰ মৰ্যাদা উন্নীত কৰক। (আমিন)

**********

## (BOOK POST PARINTED MATTER)

**Assamese Khulasa Khutba Jumma Huzoor Anwar 3 May.. 2019**

**To** ----------------------------------------------------------------------------

----------------------------------------------------------------------------

----------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**